**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date :30-08-2025 **Time :** 1205Hrs.

## **Assamese Midday Bulletin**

ব্ৰিটিছ সংগ্ৰহালয়ত থকা বৃন্দাবনী বস্ত্ৰ অসমলৈ অনাৰ বিষয়ে আলোচনা কৰাৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা অক্টোবৰ-নৱেম্বৰত লণ্ডনলৈ যাব। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি এখন সংবাদ মেলত এই কথা প্ৰকাশ কৰি কয় যে ২০২৭ চনত বৃন্দাবনী বস্ত্ৰখন ১৮ মাহৰ বাবে অসমলৈ অনা হ'ব। ব্ৰিটিছ সংগ্ৰহালয়ে কেতবোৰ চৰ্ত সাপেক্ষে এই ক্ষেত্ৰত সন্মতি প্ৰকাশ কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে। ড০ শৰ্মাই কয় যে ব্ৰিটিছ সংগ্ৰহালয়ে চৰ্ত অনুসৰি বিশ্বমানৰ সংগ্ৰহালয় নিৰ্মাণ কৰাৰ বাবে খানাপাৰাৰ ৰেচম বিভাগৰ ভূমিত এবিঘা মাটি আৱন্তন দিয়া হৈছে আৰু জে এছ ডব্লিউ কোম্পানীটোৱে সামাজিক দায়াবদ্ধতা আঁচনিৰ অধীনত সংগ্ৰহালয় নিৰ্মাণৰ বাবে আগবাঢ়ি আহিছে।

০০০০০

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সখী এক্সপ্ৰেছ আঁচনিৰ অধীনত তৃণমূল পৰ্যায়ত কাম কৰা ৯ হাজাৰ ৭০৪ গৰাকী মহিলাক আজি স্কুটী প্ৰদান কৰা হ'ব। এই উপলক্ষে গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস উপস্থিত থাকিব। এই মহিলাসকলক স্কুটী প্ৰদানৰ জৰিয়তে আত্মসহায়ক গোটৰ কামকাজসমূহ ত্বৰান্বিত কৰাৰ উপৰি তেওঁলোকৰ যাত্ৰাৰ ব্যয় হ্ৰাস তথা উপাৰ্জন বৃদ্ধিৰ জৰিয়তে সমৃদ্ধিশালী গাঁও নিৰ্মাণৰ পথ প্ৰশস্ত কৰাৰ প্ৰয়াস কৰা হৈছে।

০০০০০

সীমান্তত অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে অভিযান চলি আছে। এনে অভিযানৰ অংশ হিচাপে শেহতীয়াকৈ ৩৩ জন অনুপ্ৰৱেশকাৰীক বাংলাদেশলৈ ঘূৰাই পঠিওৱা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে।

০০০০০

কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত সকলো চৰকাৰী, প্ৰাদেশীকৃত আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ পহিলা ছেপ্তেম্বৰৰ পৰা নিয়মীয়া সময়ত পাঠদান আৰম্ভ হ'ব। কামৰূপ মহানগৰ জিলাৰ আয়ুক্তৰ সৈতে হোৱা আলোচনা মৰ্মে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। অৱশ্যে কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা মিছন সমন্বয়ক দীপিকা চৌধুৰীয়ে গৰম অব্যাহত থকাৰ বাবে বিদ্যালয়সমূহত পুৱাৰ সমাবেশ শ্ৰেণীকোঠাৰ ভিতৰত সম্পন্ন কৰিবলৈ সকলো অধ্যক্ষ, প্ৰধান শিক্ষকলৈ নিৰ্দেশনা জাৰি কৰিছে।

০০০০

পবিতৰা অভয়াৰণ্য কৰ্তৃপক্ষই মানুহ আৰু জন্তুৰ সংঘাত হ্ৰাস কৰাৰ উদ্দেশ্যে অভয়াৰণ্য খনৰ কাষেৰে যোৱা ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথৰ সৈতে সংযুক্ত হৈ থকা লোকনিৰ্মাণ বিভাগৰ পথটোৰ দুটা স্থানত বেৰিকেড

স্থাপন কৰিছে। দ্ৰুত বেগী বাহনৰ খুন্দাত অভয়াৰণ্যখনৰ জীৱ-জন্তুৰ প্ৰাণনাশ ৰোধ কৰাৰ বাবে এই পদক্ষেপ লোৱা হৈছে। ০০০০০

গুৱাহাটী পৌৰ নিগমে চিকুণ গুৱাহাটী, মোৰ গুৱাহাটী বিষয়ক এখন শুভংকৰ আৰু ল'গ' ডিজাইন প্ৰতিযোগিতাৰ আয়োজন কৰিছে। সকলোৰে বাবে মুকলি এই প্ৰতিযোগিতাত ইচ্ছুক প্ৰতিযোগীসকলে অহা ৫ চেপ্তেম্বৰলৈকে অংশগ্ৰহণ কৰিব পাৰিব। সবিশেষ জানিবলৈ আগ্ৰহীসকলে ইভেণ্টছ্ ডট জি এম চি অনলাইন ডট ইনত লগইন কৰিব পাৰে।

০০০০০

গুৱাহাটী পৌৰ নিগমে চিকুণ গুৱাহাটী, মোৰ গুৱাহাটী বিষয়ক এখন শুভংকৰ আৰু ল'গ' ডিজাইন প্ৰতিযোগিতাৰ আয়োজন কৰিছে। সকলোৰে বাবে মুকলি এই প্ৰতিযোগিতাত ইচ্ছুক প্ৰতিযোগীসকলে অহা ৫ চেপ্তেম্বৰলৈকে অংশগ্ৰহণ কৰিব পাৰিব। সবিশেষ জানিবলৈ আগ্ৰহীসকলে ইভেণ্টছ্ ডট জি এম চি অনলাইন ডট ইনত লগইন কৰিব পাৰে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি নিশা এখন নতুন সংগীতালেখ্য প্ৰচাৰ কৰিব। কেন্দ্ৰটোৰ অংশকালীন বাতৰি পৰিবেশক তথা সাংবাদিক উৎপল কুমাৰ দাসে ৰচনা কৰা এই গৱেষণাধৰ্মী আলেখ্যখনৰ নাম **অসমীয়া গীত-মাতত গাঁওখন**। আলেখ্যখনৰ বিৱৰণী কণ্ঠ উৎপল কুমাৰ দাস আৰু অৰুণিমা গোস্বামীৰ। কবিতাংশৰ আবৃত্তি উৎপল কুমাৰ দাস আৰু ইন্দ্ৰজিৎ দাসৰ। আজি নিশা চাৰে ৯ বজাত আকাশবাণী গুৱাহাটীৰ মহাবাহু শাখাত প্ৰচাৰ হ'বলগীয়া এই আলেখ্যখনৰ প্ৰযোজনা ঋতুপৰ্ণা দাসৰ।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে আন আন বছৰৰ দৰে এইবাৰো বাতৰি বিভাগৰ তৰফৰ পৰা এখন অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি এই প্ৰতিযোগিতাৰ ভাষা হ'ব অসমীয়া আৰু সময় ১ মিনিট নিৰ্ধাৰণ কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কত সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি আকাশবাণীৰ বাবে উপযুক্ত ৰূপত মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি এম-পি থ্ৰী ৰূপত ৯৭১৬৬৮০৯৬৯, ৯৮৬৪৩৯৩১৫৫ আৰু ৯৬১৯৬৮৬৬৫৯ নম্বৰত হোৱাট্ছএপত পঠিয়াব লাগিব। ২৪ ছেপ্তেম্বৰৰ সন্ধিয়া ৬ বজাৰ ভিতৰত লাভ কৰা হোৱাট্ছএপ বাৰ্তাহে প্ৰতিযোগিতাৰ বাবে বিবেচনা কৰা হ'ব। ইয়াৰ বাহিৰে আন কোনো ধৰণে দিয়া বাতৰিৰ বাৰ্তা গ্ৰহণযোগ্য নহ'ব। বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ আৰু প্ৰমাণপত্ৰৰে সন্মানিত কৰা হ'ব আৰু প্ৰথম বিবেচিত তিনিটা বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত প্ৰচাৰ কৰা হ'ব।

০ ০০০০